**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 11-09-2026**
**Time : 21-25 Hrs**

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::

নলবাৰী জিলা আয়ুক্তই দেওবাৰে জিলাখনৰ সকলো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ লগতে বিভাগীয় মুৰববী কাৰ্যালয় খোলাৰ নিৰ্দেশ দিছে। পৰহিলৈ আৰু তাৰ পাছদিনা দুদিনীয়াকৈ হ'বলগীয়া জিলা আয়ুক্তসকলৰ সন্মিলনৰ পৰিপ্ৰেক্ষিতত এই নিৰ্দেশ দিয়া হৈছে। জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী স্বাক্ষৰিত এই নিৰ্দেশটোত প্ৰয়োজন হোৱা যিকোনো তথ্য যাতে সেইদিনা বিচৰাৰ লগে লগে যোগান ধৰিব পাৰে তাৰ বাবে বিভাগীয় মুৰববীসকলক সকলো কৰ্মচাৰী কাৰ্যালয়ত উপস্থিত থকাটো নিশ্চিত কৰিবলৈ নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০

অসম সাহিত্য সভাই ২০২৫-২৭ বৰ্ষৰ ষষ্ঠ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অধিবেশন আৰু জনগোষ্ঠীয় সমাৰোহ ওদালগুৰি সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হ'ব। মঙ্গলচণ্ডী ব্ৰহ্মভাষা শিক্ষা গৱেষণা প্ৰতিষ্ঠান আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ যৌথ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে ওদালগুৰিৰ বিষ্ণুৰাভা কৃষ্টি সংঘৰ প্ৰাঙ্গনত আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি কাইলৈ পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন, স্মৃতি তৰ্পন, ড০ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি, যুৱ সংসদৰ অনুষ্ঠান, বিয়লি জনগোষ্ঠীয় সমাৰোহ, গ্ৰন্থ উন্মোচনী অনুষ্ঠান আদি অনুষ্ঠিত হ'ব। একেদৰে পৰহিলৈ হ'বলগীয়া জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহত ৰাজ্যখনৰ কেইবাটাও জনগোষ্ঠীয় দলে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিব। এই সমাৰোহত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী, মন্ত্ৰী চৰণ বড়ো, নিলীমা দেৱী, বিশ্বজিৎ দৈমাৰী, সাংসদ দিলীপ শইকীয়া, প্ৰমোদ বড়ো, বিটিচিৰ উপ মুখ্য কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰীকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকিব। একেদৰে অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী, প্ৰধান সম্পাদক দেৱজিৎ বৰাকে ধৰি প্ৰায় ৫০০ বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সদস্যই এই সমাৰোহত অংশগ্ৰহণ কৰিব।

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত ন্যায়াধীশ শৰ্মীলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান প্ৰক্ৰিয়া অব্যাহত আছে। আজি তৃতীয়গৰাকী প্ৰবাসী অসমীয়া প্ৰতিম লহকৰ ফাষ্টট্ৰেক আদালতত উপস্থিত হৈ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সংক্ৰান্তত সাক্ষ্য প্ৰদান কৰে।

০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত কাইলৈ আৰম্ভ হ'বলগীয়া অষ্টাদশ ব্ৰিকছ শীৰ্ষ সন্মিলনৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। সন্মিলনৰ সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন, চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিং, দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামফোছা, ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দুল ফটাহ অল ছিছি,

ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাবোৱো ছুবিয়াণ্টো, ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ন, আবুধাবিৰ যুৱৰাজ শ্বেইখ খালেদ বিন মহম্মদ বিন জায়েদ অল নাহয়ানকে ধৰি আগশাৰীৰ নেতাসকলক প্ৰতিনিধিত্ব কৰিব। প্ৰধানমন্ত্ৰী মোদী এই সন্মিলনত ভাগ লোৱাৰ সুযোগতে ব্ৰিকছ্ সদস্যৰাষ্ট্ৰৰ নেতাসকলৰ সৈতে এলানি দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। শ্ৰীমোদীয়ে দেওবাৰে ব্ৰিকছ্ সহযোগী ৰাষ্ট্ৰৰ নেতা আৰু আমন্ত্ৰিত প্ৰতিনিধিবৰ্গক আদৰণি জনাব। উল্লেখযোগ্য যে ভাৰতৰ অধ্যক্ষতাত হ'বলগীয়া এই শীৰ্ষ সন্মিলনৰ মূল বিষয়বস্তু হৈছে- স্থিতিস্থাপকতা, উদ্ভাৱন সহযোগিতা আৰু বহনক্ষমতাৰ বাবে নিৰ্মাণ।

০০০০

দেশজুৰি কাইলৈ চলিত বৰ্ষৰ তৃতীয়খন ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। লোক আদালতৰ জৰিয়তে দেৱানী, আপোচবিহীন ফৌজদাৰী, চেক বাউন্স, বৈবাহিক-পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, বেংকৰ ঋণ আৰু বিদ্যুৎ সম্পৰ্কীয় গোচৰৰ লগতে প্ৰাক আদালত পৰ্যায়ত বিবাদ নিষ্পত্তি কৰা হ'ব। ইয়াৰ অংশ হিচাপে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ফেকামাৰীস্থিত জিলা আদালতৰ চৌহদত কাইলৈ পুৱা ৯ বজাৰ পৰা ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এইবেলি জিলাখনত প্ৰায় ২ সহস্ৰাধিক গোচৰ নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে বিভিন্ন গোচৰৰ জৰিয়তে প্ৰায় ২০ লাখ টকা জমা হৈছে বুলি জিলা আইনসেৱা বিষয়ৰ প্ৰাধিকৰণৰ উচ্চবৰ্গৰ সহায়ক মেহেবুবুল ইছলাম খিলিজিয়ে প্ৰকাশ কৰিছে।

০০০০

যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল তথা জিলা স্বাস্থ্য সমিতি যোৰহাটৰ যুটীয়া উদ্যোগত এখন আজি সমন্বয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ সৌৰভ বৰকটকীৰ সভাপতিত্বত হোৱা আলোচনাত অতিৰিক্ত জিলা আয়ুক্ত অভিজিৎ গগৈ, ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ ভক্তিমা ভট্টাচাৰ্য্যকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে। শিশু আৰু প্ৰসুতিৰ মৃত্যুৰ হাৰ হ্ৰাস পোৱাৰ ধাৰা অসংক্ৰামক ৰোগৰ প্ৰাদূৰ্ভাৱ, কুষ্ঠৰোগ নিৰ্মূলৰ দিশত একত্ৰিত প্ৰচেষ্টা আৰু যক্ষ্মা ৰোগীৰ সক্ৰিয় সন্ধান আদি গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। ইয়াৰোপৰি বিদ্যালয়ত স্বাস্থ্য ক্লাৱৰ ৰূপায়ণ আৰু মহাবিদ্যালয়সমূহত মানসিক স্বাস্থ্য সন্দৰ্ভত বিস্তৃত সজাগতা অভিযান চলোৱাৰ বিষয়তো বৈঠকে বিশেষভাৱে আলোকপাত কৰে।

০০০০

সমাপ্ত